

*জাহাংগীৰ আলীৰ কোলাত বহি বটলত গাখীৰ খোৱা অৱস্থাত কৰীনা*

আছুতীয়া আশ্ৰয়স্থলৰ ওচৰলৈ মোক লৈ গ'ল। তাৰ পূৰ্বে সম্পূৰ্ণ যুক্তিসংগতভাৱে মোৰ ছেনিটাইজেশ্যন হ'ল। বিষয়াগৰাকীৰ সৈতে হোৱা কথা-বতৰাত বুজিলোঁ, নিজৰ পদবী তথা দায়িত্বৰ প্ৰতি তেওঁ সম্পূৰ্ণৰূপে দায়বদ্ধ। চিৰিয়াখানাত থকা প্ৰতিটো জীৱজন্তুক তেওঁ নিজে আৰু আনজন মুখ্য জন্তুপালক প্ৰবীণ হালৈকে ধৰি আন সতীৰ্থ-সহকৰ্মীসকলে সন্তানৰ দৰে গণ্য কৰে, তেনে অনুভৱেই হ'ল। সেই অনুভৱ অধিক গাঢ় হ'ল জাহাংগীৰ আৰু অৰূপক লগ পাই। জাহাংগীৰ আলী আৰু অৰূপ ৰংপি কৰীনাহতঁক ৰখা সেই বিশেষ এলেকাটোৰ দায়িত্বত থকা জন্তুপালক। আছুতীয়া এলেকাটোত থকা গঁৰালকেইটাৰ এটাত কৰীনা, কাষতে থকা আনটোত এহাল পোৱালিৰ সৈতে আন এজনী সোণালী বান্দৰ 'লাভলি' আৰু আন এটা গঁৰালত 'বলীন' নামৰ একেই প্ৰজাতিৰ প্ৰাপ্তবয়স্ক প্ৰাণী এটাক ৰখা হৈছে। বিশেষ যত্নৰে জন্ম দিওৱা লাভলিৰ পোৱালি দুটাৰ ডাঙৰজনী ডেৰবছৰীয়া 'ববি' আৰু সৰুটো আঢ়ৈমহীয়া 'ক'ভিড'। এইকেইদিন ওচৰতে থাকি চিনাকি হৈ পৰা লাভলিয়ে সিটো গঁৰালৰপৰা ৰেলিঙৰ ফাঁকেদি হাত সুমুৱাই কেতিয়াবা কৰীনাক মৰম কৰে, পিহি দিয়ে। কৰীনাৰ বাবে সেয়া নিঃসন্দেহে সান্ত্বনা লভিবলগা চেনেহ পৰশ।

বয়সৰ হিচাপত ইতিমধ্যে চাৰে তিনি মাহ পাৰ কৰা কৰীনাৰ বাবে মাকৰ গাখীৰেই একমাত্ৰ স্বাভাৱিক আহাৰ যদিও তাৰ কোনো উপায় নথকাত তাইক মাকৰ যত্নৰপৰা বঞ্চিত শিশুৰ নিচিনাকৈয়ে লেক্ট'জেন-টু পথ্য হিচাপে দিয়া হৈছে। লগতে মাজে মাজে বন্ধাকবিৰ এখিলা কুমলীয়া পাত, এডোখৰ তৰমুজ, এটা পকা কল—এইবোৰেৰেও তাই পেট ভৰাইছে। মাজে-সময়ে গঁৰালৰপৰা বাহিৰলৈ ওলাই জাহাংগীৰ আলী আৰু অৰূপ ৰংপিৰ সতৰ্ক দৃষ্টিৰ মাজত সন্মুখৰ মুকলি ঠাইখিনিত তাই অলপ-অচৰপ লৰা-ঢপৰা কৰিবলৈ পাইছে। কেতিয়াবা বলো খেলিছে। এনেদৰেই তাই স্বাভাৱিকতাৰপৰা নিলগৰ এটা জীৱন যাত্ৰাত ক্ৰমান্বয়ে অভ্যস্ত হ'বলৈ লৈছে।

নতুন পৰিৱেশত থাকিবলৈ বাধ্য হোৱা কৰীনাৰ দৈনন্দিন জীৱনৰ বিষয়ে জানিবলৈ বিচৰাত কৰুণাকান্ত ডেকাই ক'লে—এতিয়া জাহাংগীৰেই তাইৰ মাক-বাপেক সকলো। তাৰ পাছত তেওঁৰপৰা যিখিনি শুনিলোঁ, সেয়া নিজকে পশুপ্ৰেমী বুলি কৈ ভাল পোৱা মোৰ দৰে যিকোনো মানুহক কেৱল হতচকিত কৰাই নহয়, তেওঁলোকৰ প্ৰতি অধিক শ্ৰদ্ধাশীল হৈ নিজৰ অসমৰ্থতাক উপলব্ধি কৰাব পৰা কথা। পুৱা আঠ বজাৰপৰা বিয়লি পাঁচ বজালৈকে কৰীনাৰ ঠিকনা হ'ল আমি দেখা গঁৰালটো। তাৰ পাছত? বাকী সময়খিনি তাই থাকে জাহাংগীৰৰ ঘৰত। আবেলি কৰ্তব্য সামৰি কোৱাৰ্টাৰলৈ যাওঁতে পশুপালকজনে তাইক লগত লৈ যায়। নিশা নিজে শোৱা বিছনাখনত পানী কাপোৰ এখন পাৰি কাপোৰেৰে ঢাকি শুৱাই থয়। ঘৰত থকা সময়খিনি কৰীনাই তেওঁৰ কণমানি কন্যা দুজনীৰ সৈতে উমলি-জামলি পাৰ কৰে। দুয়ো তাইৰ ৰখীয়া হৈও থাকে। ৰাতি কৰীনাৰ টোপনি কেনে হয়? আমাৰ প্ৰশ্নৰ উত্তৰত জাহাংগীৰে ক'লে—"গভীৰ টোপনি। ইলুটি-সিলুটিকৈ বগৰাই দিলেও সাৰ-সুৰ নাথাকে। কেতিয়াবা ভয়েই লাগি যায়।" অৰ্থাৎ এই কথাত কোনো সন্দেহ নাই যে নিঠৰুৱা হৈ বনৰ জীৱন এৰি আহিবলগীয়া হ'ল যদিও কৰীনাই নিৰাশ্ৰয় বোধ কৰা নাই। এতিয়া প্ৰশ্ন হ'ল, এনেদৰে থাকি ডাঙৰ হোৱাৰ পাছত কি হ'ব—তেতিয়াও যদি তাইক মানুহৰ দৰে বিছনা এখন লগা হয়? অভিজ্ঞতাৰে পুষ্ট ৰজনীকান্ত ডেকাৰ প্ৰত্যয়পূৰ্ণ উত্তৰ—"একো নহয়। প্ৰয়োজন হ'লে তাইক আমি উমাল কাপোৰ এখন বা বস্তা এটা দিম। ইচ্ছা কৰিলে ৰাতি তাতেই শুব। আন সোণালী বান্দৰবোৰৰ লগ লৈ লাহে লাহে তাই অভ্যস্ত হৈ যাব।" হোৱাৰ কথাই। লাভলি, ববি, বলীনহঁত আছে। মুকলি পৰিৱেশত গছত থকা আন সোণালী বান্দৰৰ জাকটো আছে। প্ৰয়োজনত সংগ দিব পৰা, বন্ধু হ'ব পৰা একে বয়সৰ ক'ভিডো আছে। সকলোৰে লগত মিলিজুলি তাই নিশ্চয় এটা নতুন জীৱনৰ ফালে আগবাঢ়ি যাব। অৱশ্যে সেই নতুন জীৱনে বনত এৰি থৈ অহা পুৰণি জীৱনটোৰ কথা পাহৰাই ৰাখিব পাৰিব নে নাই, সেই কথা জনাৰ আমাৰ কোনো উপায় নাই।

(সৌজন্য—কুঞ্জমোহন ৰায়, বিজনী, সুজিৎ কুমাৰ ৰায়, বঙাইগাঁও)

ঠিকনা ঃ অসমীয়া প্ৰতিদিন, মণিৰাম দেৱান পথ, চানমাৰি, গুৱাহাটী-৭৮১০০৩, ফোন ঃ ৯৮৬৪০১১৩৮৬


**প্ৰকাশ পালে**

**সোণোৱাল কছাৰীৰ ভাষাৰ প্ৰথমখন অভিধান**

**"সোণোৱালসকলৰ ভাষাত ব্যৱহৃত শব্দকোষ"**

প্ৰথম খণ্ড

প্ৰণেতা

শ্ৰী ৰাজু সোণোৱাল

প্ৰকাশক

সোণোৱাল ভাষাত কথা-বতৰা

(এক প্ৰতিষ্ঠান)

সংগ্ৰহৰ বাবে যোগাযোগ কৰক

ৰাজু সোণোৱাল—৬০০১০৭৭০৬০

উৎপল সোণোৱাল—৭০০২২৯০৯৭৯